# ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ, অসম

## ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ আবেদন প্ৰপত্ৰ পূৰণৰ সহজ উপায়

আবেদন পত্ৰ পূৰোৱাৰ কামত সহায়ক হোৱাৰ উদ্দেশ্যে নাগৰিকসকলৰ বাবে আবেদন প্ৰপত্ৰত সন্নিবিষ্ট নিৰ্দ্দেশনাৱলীৰ উপৰিও আবেদন প্ৰপত্ৰ পূৰণৰ কিছু সহজ উপায় তলত বৰ্ণনা কৰা হ'ল।

***সাধাৰণতে সকলো সদস্যৰ তথ্য সন্নিবিষ্ট কৰি পৰিয়ালৰ মুৰব্বীজনে উন্নীত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন পত্ৰ দাখিল কৰিব। অনাথ আশ্ৰম, বৃদ্ধ আৱাস, মানসিক চিকিৎসালয় আদি প্ৰতিষ্ঠানিক গৃহৰ ক্ষেত্ৰত আবাসীসকলৰ প্ৰয়োজনীয় তথ্য দাখিল কৰাৰ দায়িত্ব সংশ্লিষ্ট প্ৰতিষ্ঠানৰ মুৰব্বীজনৰ। সম্পূৰ্ণকৈ পূৰোৱা আবেদন পত্ৰবোৰ নাগৰিকসকলৰ নিজৰ নিজৰ বৰ্ত্তমানৰ ঠিকনাৰ এলেকা সামৰি স্থাপিত মনোনীত NRC সেৱা কেন্দ্ৰ (NSK)ত অথবা অনলাইন (www.nrcassam.nic.in) জমা দিব লাগিব।***

## 'A' পৃষ্ঠা পূৰোৱাৰ সহজ উপায়ঃ-

**সদস্যৰ ক্ৰমিক নং -** ক্ৰমিক নম্বৰটো পৰিয়ালৰ মুৰব্বীজনৰ পৰা "1"ৰে আৰম্ভ হ'ব। প্ৰথম **'A'** পৃষ্ঠাত লিখা সদস্যৰ ক্ৰমিক নম্বৰৰ এই ক্ৰম আবেদন পত্ৰ খনৰ **A, B, C, D -** এই চাৰিওটা পৃষ্ঠাত মানি চলিব লাগিব।

**আবেদন প্ৰপত্ৰৰ 1a, 2a, 2b, 2c, 3a, 4a, 4b আৰু 4c প্ৰশ্নৰ বিপৰীতে তথ্য পূৰাবৰ বাবে আৱশ্যকীয় নিৰ্দ্দেশনা আৰু ক'ডসমূহ 'A' পৃষ্ঠাৰ তলত দিয়া আছে।** 2a, 4b আৰু 4c প্ৰশ্নৰ উত্তৰ হিচাপে যদি আবেদনকাৰীয়ে "অন্যান্য" বাচনি কৰে, তেন্তে প্ৰযোজ্য ক'ড আৰু "অন্যান্য"ৰ ব্যাখ্যা দিব লাগিব।

**প্ৰশ্ন.2a মুৰব্বীজনৰ লগত সম্পৰ্ক -** পৰিয়ালৰ মুৰব্বীজনৰ লগত প্ৰতিজন সদস্যৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰিবলৈ **A**-পৃষ্ঠাৰ তলত প্ৰশ্ন.**2a**[2a]ৰ বিপৰীতে উল্লেখিত 1ৰ পৰা 11 নম্বৰৰ ক'ডবোৰৰ পৰা সঠিক ক'ডটো নিৰ্ৱাচন কৰিব। উদাহৰণস্বৰূপে, ক্ৰমিক নম্বৰ 1 ৰ সদস্যজনে যেতিয়া পৰিয়ালৰ মুৰব্বী হিচাপে আবেদন জনাব, পৰিয়ালৰ মুৰব্বীজনৰ লগত সম্পৰ্ক বুজাবলৈ নিৰ্দ্দিষ্ট স্থানত তেখেতে "মুৰব্বী" সূচোৱা ক'ড '1' উল্লেখ কৰিব। অন্য সদস্যসকলৰ ক্ষেত্ৰত পৰিয়ালৰ মুৰব্বীজনৰ লগত থকা সম্পৰ্ক অনুযায়ী প্ৰশ্ন.**2a**[2a] ত উল্লেখিত তালিকাৰ পৰা প্ৰযোজ্য ক'ডটো উল্লেখ কৰিব। উদাহৰণস্বৰূপে, যদি পৰিয়ালৰ মুৰব্বীজন সদস্য ক্ৰমিক নম্বৰ 3ৰ পিতৃ হয়, তেন্তে সদস্য ক্ৰমিক নম্বৰ 3য়ে মুৰব্বীৰ লগত তেওঁৰ সম্পৰ্ক বুজাবলৈ নিৰ্দ্দিষ্ট স্থানত 'পিতৃ/মাতৃ' সূচোৱা ক'ড '5' লিখিব। ***পৰিয়ালটোত বাস কৰা দূৰ সম্পৰ্কীয়, ঘৰুৱা কামত সহায় কৰা লোক সকলে এই পৰিয়ালৰ লগত নহয়, তেখেতসকলৰ নিজৰ মূল পৰিয়ালৰ সৈতেহে আবেদন পত্ৰ দাখিল কৰিব।***

**প্ৰশ্ন.3a- জন্মৰ তাৰিখ** আৰু **প্ৰশ্ন.3b - বয়স (1 এপ্ৰিল 2015 তাৰিখলৈ ঘোষনা কৰা মতে) ঃ** জন্মৰ তাৰিখটো ইংৰাজী কেলেণ্ডাৰ অনুসৰি DD/MM/YYYY আৰ্হিত লিখিব লাগিব। উদাহৰণস্বৰূপে, যদি কোনো এজন ব্যক্তিৰ 1988 চনৰ জানুৱাৰীৰ 22 তাৰিখে জন্ম হৈছে, তেন্তে তেওঁ জন্মৰ তাৰিখটো 22-01-1988 ধৰণে লিখিব। যদি কোনো ব্যক্তিৰ জন্মৰ তাৰিখটো সঠিক ভাৱে মনত নাই, তেন্তে তেখেতসকলে এই স্তম্ভটো খালী কৰি ৰাখিব আৰু **প্ৰশ্ন.3b**ত আনুমানিক বয়সটো 01-04-2015 তাৰিখলৈ **বছৰৰ হিচাপত** উল্লেখ কৰিব।

**প্ৰশ্ন.5ঃ পিতৃ, মাতৃ আৰু স্বামী বা পত্নী (যদি বিবাহিত)ৰ নাম ঃ** পিতৃ, মাতৃ আৰু স্বামী বা পত্নী (যদি বিবাহিত)ৰ নাম সম্পূৰ্ণকৈ উল্লেখ কৰিব। নাইবা, তেখেতসকল যদি পৰিয়ালটোৰ সদস্য/সদস্যা হয় তেন্তে ক্ৰমিক নম্বৰ স্তম্ভটোত পিতৃ, মাতৃ আৰু স্বামী বা পত্নীৰ নামৰ বিপৰীতে উল্লেখ থকা ধৰণে সংশ্লিষ্ট সদস্য ক্ৰমিক নম্বৰটো উল্লেখ কৰিব। ধৰা হওক, পৰিয়ালটোৰ মুৰব্বীজনৰ সদস্য ক্ৰমিক নম্বৰ 1 আৰু তেওঁৰ স্বামী বা পত্নীৰ সদস্য ক্ৰমিক নম্বৰ 2 আৰু তেখেতসকলৰ পুত্ৰৰ সদস্য ক্ৰমিক নম্বৰ 3, তেন্তে পুত্ৰজনে (সদস্য ক্ৰমিক নম্বৰ 3) পিতৃ আৰু মাতৃৰ সম্পূৰ্ণ নাম লিখিব লগা স্থানত পিতৃৰ নামৰ পৰিবৰ্তে মাত্ৰ ক্ৰমিক নম্বৰ 1 আৰু মাতৃৰ নামৰ পৰিবৰ্তে ক্ৰমিক নং 2 লিখিলেই হ'ব।

## 'B' পৃষ্ঠা পূৰোৱাৰ সহজ উপায়ঃ-

**বগা ৰঙৰ পৃষ্ঠভুমিত তোলা শেহতীয়া ৰঙীন ফটোগ্ৰাফ আঠা দি লগাব ঃ** ফটোখন মুখমণ্ডলৰ সম্পূৰ্ণ সন্মুখ অৱস্থানৰপৰা তুলিব লাগিব আৰু সমগ্ৰ ফ্ৰেমৰ 80 শতাংশ (৮০%) মুখমণ্ডলে আগুৰিব লাগিব। চকু খোলা অৱস্থাত থাকিব লাগিব আৰু নিৰ্দ্দিষ্ট স্থানত সমানভাবে আৰু স্পষ্টকৈ দেখা পাব লাগিব। ফটোখন ৰঙীন আৰু 2.5 চে.মি.X2.5চে.মি. আকাৰৰ হ'ব লাগিব। ফটোখন মূৰৰ ওপৰৰ অংশৰ পৰা থুঁতৰিৰ তললৈ স্পষ্টকৈ থাকিব লাগিব আৰু ফ্ৰেমৰ সোঁমাজত থাকিব লাগিব। পিছফালে বা মুখমণ্ডলত কোনো ধৰণৰ বিভ্ৰান্তিকৰ ছাঁ থাকিব নালাগিব। ধৰ্ম্মীয় কাৰণৰ বাহিৰে কোনো কাৰণত মূৰৰ অংশ আৱৰি ৰাখি তোলা ফটো গ্ৰাহ্য নহ'ব; ধৰ্ম্মীয় শিঠিলতাৰ আলমত তোলা ফটোগ্ৰাফৰ ক্ষেত্ৰতো থুঁতৰিৰ তলৰ পৰা কপালৰ ওপৰলৈ আৰু মুখমণ্ডলৰ দুয়োকাষ স্পষ্টকৈ দেখা পোৱা হ'ব লাগিব। মুখ মণ্ডলত স্বাভাৱিক ভংগিমা ফুটি উঠিব লাগিব। ফটোখন ভালগুণ বিশিষ্ট আঠা ব্যৱহাৰ কৰি যথোচিত ভাবে লগাব লাগিব। কেতিয়াও ষ্টেপ্‌লাৰ বা পিন ব্যৱহাৰ নকৰিব।

## 'C' পৃষ্ঠা পূৰোৱাৰ সহজ উপায়ঃ-

***আবেদনকাৰীয়ে উন্নীত NRCত নাম অন্তৰ্ভুৰ্ক্তিৰ বাবে কেনেকৈ যোগ্যতা প্ৰতিপন্ন কৰিব সেই বিষয়ে আবেদন প্ৰপত্ৰৰ 'C' পৃষ্ঠাত উল্লেখ কৰিব লাগিব। প্ৰশ্ন.9 নাইবা প্ৰশ্ন.10 নাইবা প্ৰশ্ন.11ৰ যিকোনো এটাৰ উত্তৰ দিলেই পৰ্যাপ্ত। অৱশ্যে, প্ৰশ্ন.9, প্ৰশ্ন.10 নাইবা প্ৰশ্ন.11ৰ এটাতকৈ বেছি প্ৰশ্নৰ উত্তৰো দিব পাৰে।***

***প্ৰশ্ন.9 -1951 চনৰ NRCত সবিশেষ তথ্য থকা সকলৰ বাবে প্ৰযোজ্য; প্ৰশ্ন.10- 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকাত সবিশেষ তথ্য থকা সকলৰ বাবে প্ৰযোজ্য আৰু প্ৰশ্ন.11- সেই সকল ব্যক্তিৰ বাবে প্ৰযোজ্য যাৰ লগত আবেদন পত্ৰৰ 'C' পৃষ্ঠাৰ তলত থকা 'A' তালিকাভুক্ত অন্যান্য নথিবোৰৰ সবিশেষ তথ্য আছে।***

**প্ৰশ্ন.9a, প্ৰশ্ন.10a আৰু প্ৰশ্ন.11a - যাৰ সৈতে সম্পৰ্ক দাবী কৰা হৈছে সেই ব্যক্তিৰ নাম ঃ**

**প্ৰশ্ন.9a** ৰ উত্তৰত 1951 চনৰ NRC ত নাম থকা ব্যক্তিজনৰ, যেনে - আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্ব্বপুৰুষৰ নাম লিখিব, **নাইবা**

**প্ৰশ্ন.10a** ৰ উত্তৰত 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত থকা ব্যক্তিজনৰ, যেনে - আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্ব্বপুৰুষৰ নাম লিখিব, **নাইবা**

**প্ৰশ্ন.11a** ৰ উত্তৰত আবেদন পত্ৰৰ 'C' পৃষ্ঠাৰ তলৰ পিনে থকা 'A' তালিকাভুক্ত (ব্যাখ্যামূলক নথি) নথিসমূহৰ ক্ৰমিক নং 3 ৰ পৰা 16 লৈকে উল্লেখিত যিকোনো নথিত নাম থকা ব্যক্তিজনৰ, যেনে - আবেদনকাৰীৰ নিজৰ নাইবা আবেদনকাৰীৰ পিতৃ-মাতৃৰ নাইবা পূৰ্ব্বপুৰুষৰ নাম লিখিব।

**প্ৰশ্ন.9b ঃ 1951চনৰ NRC লিগেচি ডাটা ক'ড, আৰু প্ৰশ্ন.10b ঃ 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকা লিগেচি ডাটা ক'ড ঃ**

**প্ৰশ্ন.9b** - 1951চনৰ NRCত নাম অন্তৰ্ভুক্ত থকা ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিসকলৰ বাবেহে প্ৰযোজ্য। **প্ৰশ্ন.9a** স্তম্ভত উল্লেখিত ব্যক্তিজনৰ বিপৰীতে পোৱা 11 টা সংখ্যাৰ লিগেচি ডাটা ক'ডটো প্ৰশ্ন.9b স্তম্ভৰ নিৰ্দ্দিষ্ট স্থানত XXX-XXXX-XXXX ৰূপত ভৰাব লাগিব।

*সিপিঠিত চাওক*

**প্ৰশ্ন.10b** - 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত থকা ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা ব্যক্তিসকলৰ বাবেহে প্ৰযোজ্য। **প্ৰশ্ন.10a** স্তম্ভত উল্লেখিত ব্যক্তিজনৰ বিপৰীতে পোৱা 11 টা সংখ্যাৰ লিগেচি ডাটা ক'ডটো প্ৰশ্ন.10b স্তম্ভৰ নিৰ্দিষ্ট স্থানত XXX-XXXX-XXXX ৰূপত ভৰাব লাগিব।

*লিগেচি ডাটা ক'ড সমূহ 1951 চনৰ NRC আৰু 1971 চনৰ 24 মাৰ্চ (মাজনিশা) পৰ্যন্ত প্ৰকাশিত ভোটাৰ তালিকাত উল্লেখ থকা প্ৰতিটো নামৰ বিপৰীতে NRC সেৱা কেন্দ্ৰ সমূহ (NSK)ত নাইবা NRC, অসমৰ ৱেবচাইটৰ জৰিয়তে অনলাইনত প্ৰদান কৰা হয়। NRC সেৱা কেন্দ্ৰ সমূহৰ পৰা নাইবা অনলাইন যোগে ডাউনলোড কৰা লিগেচি ডাটা শ্লিপসমূহ আবেদনপত্ৰৰ লগত সংলগ্ন কৰি দিব লাগিব।*

**প্ৰশ্ন.11b ঃ 'A' তালিকাভুক্ত উপযুক্ত নথিৰ ক্ৰমিক নং (ক্ৰমিক নং 3ৰ পৰা 16লৈ)ঃ** 'A' তালিকাভুক্ত (ক্ৰমিক নং 3ৰ পৰা 16লৈ) নথিবোৰৰ ভিতৰৰ যি নথিত প্ৰশ্ন.11aত উল্লেখিত ব্যক্তিজনৰ নাম আছে, উক্ত নথিৰ ক্ৰমিক নম্বৰ নিৰ্দ্দিষ্ট স্থানত লিখিব লাগিব। **অনুগ্ৰহ কৰি মনত ৰাখিব যে ক্ৰমিক নম্বৰ 15 আৰু ক্ৰমিক নম্বৰ 16ত উল্লেখ কৰা নথিবোৰ তেতিয়াহে গ্ৰহণযোগ্য হ'ব যেতিয়া উক্ত নথিবোৰৰ লগত ক্ৰমিক নম্বৰ 1ৰ পৰা 14লৈ উল্লেখিত নথিবোৰৰ যিকোনো এবিধ নথি সংযুক্ত হ'ব।** উল্লেখযোগ্য যে আবেদন পত্ৰৰ লগত এই নথিবোৰৰ স্ব-প্ৰত্যায়িত প্ৰতিলিপিবোৰহে গাঠি দিব লাগিব আৰু মূল নথিপত্ৰবোৰ ক্ষেত্ৰ ভিত্তিক পৰীক্ষণৰ সময়ত কৰ্তৃপক্ষক দেখুৱাব লাগিব।

**প্ৰশ্ন.9c, প্ৰশ্ন.10c আৰু প্ৰশ্ন.11c - ব্যক্তিজনৰ সৈতে সম্পৰ্ক ঃ** আবেদনকাৰীয়ে প্ৰশ্ন.9a বা প্ৰশ্ন.10a বা প্ৰশ্ন.11aত উল্লেখ কৰা ব্যক্তিজনৰ অৰ্থাৎ যাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা হৈছে সেই ব্যক্তিজনৰ লগত তেখেতৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰিব। সদস্যসকলে সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা বক্তিজনৰ লগত থকা সম্পৰ্ক সূচাবলৈ 'A' পৃষ্ঠাৰ তলত থকা প্ৰশ্ন.2a[2a]ত উল্লেখিত পৰিয়ালৰ মুৰব্বীজনৰ লগত সদস্যসকলৰ সম্পৰ্ক সূচোৱা ক'ডসমূহকে ব্যৱহাৰ কৰিব। উদাহৰণস্বৰূপে, যদি প্ৰশ্ন.9a বা প্ৰশ্ন.10a বা প্ৰশ্ন.11aৰ উত্তৰৰ বিপৰীতে উল্লেখিত ব্যক্তিজন পৰিয়ালৰ সদস্যৰ পিতৃ-মাতৃ/ককা-আইতা/আজো ককা-আজো আইতা হয় তেনেহ'লে, আবেদন পত্ৰৰ 'A' পৃষ্ঠাৰ তলত দিয়া প্ৰশ্ন.2a[2a]ৰ অন্তৰ্ভুক্ত তালিকাৰ পৰা উপযুক্ত সম্বন্ধটো বাচনি কৰি প্ৰশ্ন.9c বা প্ৰশ্ন.10c বা প্ৰশ্ন.11cৰ উত্তৰৰ বাবে আবেদন পত্ৰত ৰখা নিৰ্দ্দিষ্ট স্থানত সেই সম্বন্ধটো আখৰেৰে আৰু সম্বন্ধৰ বিপৰীতে দিয়া ক'ডেৰে উল্লেখ কৰিব। যদি প্ৰশ্ন.9a বা প্ৰশ্ন.10a বা প্ৰশ্ন.11aৰ উত্তৰৰ বিপৰীতে উল্লেখিত ব্যক্তিজন, সদস্যজন নিজেই হয় তেন্তে, সেই সদস্যজনে "ব্যক্তিজনৰ লগত থকা সম্পৰ্ক" শীৰ্ষক প্ৰশ্নৰ উত্তৰত আখৰেৰে 'স্বয়ং' আৰু ক'ডেৰে "1" বুলি লিখিব। ককা/আইতাৰ লগত সম্পৰ্কৰ যোগসূত্ৰ থকা বুলি দাবী কৰিলে দুবিধ নথি দাখিল কৰিব লাগিব। উদাহৰণস্বৰূপে, যদি 'X' নামৰ আবেদনকাৰীয়ে ককাক 'Z'ৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰে, তেন্তে 'X' আবেদনকাৰীয়ে প্ৰথম বিধ নথিৰে তেখেতৰ পিতৃ 'Y'ৰ লগত সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিব লাগিব। দ্বিতীয় বিধ নথিৰ জৰিয়তে প্ৰমাণিত হ'ব লাগিব যে 'Z', 'Y'ৰ পিতৃ আৰু সেয়েহে 'X'ৰ ককাক।

**প্ৰশ্ন.9d, প্ৰশ্ন.10d আৰু প্ৰশ্ন.11d - সম্পৰ্কৰ প্ৰমাণ সাপেক্ষ 'B' তালিকাভুক্ত নথিৰ ক্ৰমিক নম্বৰ ঃ** প্ৰশ্ন.9c বা প্ৰশ্ন.10c বা প্ৰশ্ন.11cত ঘোষিত সম্পৰ্ক প্ৰমাণৰ বাবে দাখিল কৰা নথি সমূহৰ সবিশেষ ইয়াত উল্লেখ কৰিব লাগিব। সম্পৰ্কৰ প্ৰমাণ সাপেক্ষ অনুমোদিত নথিৰ ব্যাখ্যামূলক তালিকা এখন আবেদন পত্ৰৰ 'C' পৃষ্ঠাৰ তলত 'B' তালিকা হিচাপে দিয়া হৈছে, য'ৰ পৰা, যিকোনো এবিধ নথি নিৰ্বাচন কৰিব পাৰিব। 'B' তালিকা খন কেৱল নিৰ্দ্দেশাত্মক ।(১) পৰিয়ালৰ সদস্যজনৰ নাম আৰু (২) তেওঁৰ পিতৃ/মাতৃ বা পূৰ্বপুৰুষৰ লগত স্পষ্টভাবে যোগসূত্ৰ স্থাপন কৰিবলৈ বিধিসন্মত যিকোনো নথি দাখিল কৰিব পাৰিব। নথি প্ৰদানকাৰী কৰ্তৃপক্ষৰ লগত থকা মূল নথিৰ সৈতে এনে ধৰণৰ নথিবোৰ ৰিজাই চাই পৰীক্ষা কৰিব পৰা হ'ব লাগিব। এনে ধৰণৰ নথি যিকোনো তাৰিখত প্ৰদান কৰা হ'ব পাৰে আৰু প্ৰদান কৰা এনে তাৰিখৰ 1971 চনৰ 24 মাৰ্চ (মাজনিশা)ৰ লগত কোনো প্ৰাসঙ্গিকতা নাই। বিবাহিত মহিলাৰ ক্ষেত্ৰত প্ৰশ্ন.9a বা প্ৰশ্ন.10a বা প্ৰশ্ন.11a ৰ উত্তৰত নাম উল্লেখ কৰা ব্যক্তিৰ লগত সম্পৰ্ক থকাটো অন্যান্য নথিৰ সহায়ত সাব্যস্ত হ'লে চক্ৰ বিষয়া/গাওঁ পঞ্চায়তৰ সচিবে প্ৰদান কৰা প্ৰমাণ পত্ৰ দাখিল কৰাটো বাধ্যতামূলক নহয়। উল্লেখযোগ্য যে আবেদন প্ৰপত্ৰৰ লগত নথি-পত্ৰৰ ফটোকপিহে সংলগ্ন কৰিব লাগিব। মূল নথিসমূহ ক্ষেত্ৰভিত্তিক পৰীক্ষণৰ সময়ত কৰ্তৃপক্ষক দেখুৱাব লাগিব। দাখিল কৰা নথিসমূহ স্ব-প্ৰত্যায়িত হ'ব লাগিব।

## 'D' পৃষ্ঠা পূৰোৱাৰ সহজ উপায় ঃ-

**আবেদন পত্ৰখনত আবেদকাৰীৰ ক্ৰমিক নম্বৰ ঃ** সাধাৰণতে পৰিয়ালৰ মুৰব্বীজনে আনুগত্যৰ শপত নামাত স্বাক্ষৰ কৰিব আৰু তেনে ক্ষেত্ৰত আবেদন পত্ৰখনৰ 'D' পৃষ্ঠাৰ 'আবেদন পত্ৰ পূৰণৰ বাবে নিৰ্দ্দেশনা' শিৰোনামৰ তলত থকা বাকচৰ "আবেদন প্ৰপত্ৰত উল্লেখ কৰা মতে আবেদনকাৰীৰ ক্ৰমিক নম্বৰ" স্তম্ভত '1' লিখিব। মাত্ৰ অপৰিহাৰ্য পৰিস্থিতিতহে পৰিয়ালৰ মুৰব্বীজনৰ বাহিৰে আন এজন সদস্যই পৰিয়ালৰহৈ আবেদন পত্ৰ দাখিল কৰিব পাৰিব আৰু তেনে ক্ষেত্ৰত আনুগত্যৰ শপতনামাত এনে সদস্যই স্বাক্ষৰ কৰিব আৰু বাকচৰ নিৰ্দ্দিষ্ট স্থানত উক্ত সদস্যজনৰ সদস্য ক্ৰমিক নম্বৰটো লিখিব।

**অতিৰিক্ত আবেদন প্ৰপত্ৰত পৰিয়ালৰ তথ্য ভৰোৱাৰ কাম অব্যাহত থাকিলে 'C' লিখিব ঃ**

'A' পৃষ্ঠাত ইতিমধ্যে উল্লেখ কৰা মতে যদি পৰিয়ালত 6 (ছয়)জনকৈ অধিক সদস্য আছে, তেন্তে, তেনে পৰিয়ালৰ বাবে অতিৰিক্ত আবেদন পত্ৰ ব্যৱহাৰ কৰিব লাগিব। এনে ক্ষেত্ৰত অতিৰিক্ত আবেদন পত্ৰ ব্যৱহাৰ কৰা সাপেক্ষে 'D' পৃষ্ঠাৰ বাকচৰ নিৰ্দ্দিষ্ট স্থানত 'C' বুলি লিখিব।

**মুঠ আবেদন পত্ৰৰ সংখ্যা ঃ** এই স্থানত এটা পৰিয়ালে ব্যৱহাৰ কৰা আৰু জমা দিয়া মুঠ আবেদন পত্ৰৰ সংখ্যা উল্লেখ কৰিব লাগিব। উদাহৰণস্বৰূপে, 10 (দহ) জন সদস্য থকা পৰিয়ালৰ বাবে 2 (দুখন) প্ৰ-পত্ৰৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত নিৰ্দ্দিষ্ট স্থানত 2 সংখ্যাটো উল্লেখ কৰিব লাগিব।

**"(একমাত্ৰ কাৰ্যালয়ৰ ব্যৱহাৰৰ বাবে)" হিচাপে নিৰ্দ্দেশিত বাকছৰ ভিতৰৰ তথ্য NRC কৰ্তৃপক্ষইহে পূৰ কৰিব, আবেদনকাৰীয়ে পূৰাব নালাগে।**

সংলগ্ন কৰিবলগীয়া নথি-পত্ৰ সমূহ আবেদন প্ৰপত্ৰৰ লগত পৰিস্কাৰ 'টেগে'ৰে সযতনে গাঁঠিদিয়াৰ বাবে আবেদন প্ৰপত্ৰৰ একেবাৰে ওপৰৰ বাওঁ কোণত মটীয়া বৰণেৰে চিহ্নিত স্থান ব্যৱহাৰ কৰিব।

**আবেদন পত্ৰ পূৰণ কৰাৰ বাবে অধিক সহায়ৰ প্ৰয়োজন হ'লে আপোনাৰ মনোনীত এন.আৰ.চি. সেৱা কেন্দ্ৰ (NSK)লৈ যাব নাইবা আমাৰ বিনামূলীয়া হেল্প লাইন 15107 নম্বৰলৈ ফোন কৰিব।**